# গড়গাঁও

**পাঠ:১৫**

## -ধ্বনি কবি বিনন্দচন্দ্ৰ বৰুৱা (১৯০১-১৯৯৪)

## ক – পাঠভিত্তিক ক্রিয়া

**প্রশ্ন ১,২,৩ নম্বৰত দিয়া মতে শুদ্ধকৈ পঢ়া আৰু আবৃত্তি কৰা ।**

**প্রশ্ন ৪। উত্তৰ দিয়া**

**( ক ) ‘গড়গাঁও’ কবিতাটি কোনে ৰচনা কৰিছিল ?**

উত্তৰঃ ‘গড়গাঁও’ কবিতাটি ধ্বনি কবি বিনন্দচন্দ্ৰ বৰুৱাই ৰচনা কৰিছিল ।

**( খ ) ‘গড়গাঁও’ কবিতাটিৰ ৰচকজনক কি কবি বুলি জনা যায় ?**

উত্তৰঃ ‘গড়গাঁও’ কবিতাটিৰ ৰচকজনক ‘ধ্বনি কবি ’ বুলি জনা যায় ।

**( গ ) ‘মাৰ নাও’ বুলিলে কি বুজা ?**

উত্তৰঃ ‘মাৰ – নাও’ বুলিলে যাৗেৰ নাও বুলি বুজা ।

**( ঘ ) কবিতাটিত বৰ্ণনা কৰামতে ৰজাৰ আদেশত হাৗেৱা কেইটামান কামৰ উল্লেখ কৰা ।**

উত্তৰঃ ৰজাৰ আদেশত হাৗেৱা কেইটামান কাম হ’ল— বিলত নগৰ হয় , নগৰত নৈ বয় , ধাৗেদে ৰাজ আলি বান্ধে , হাঁহ কণীৰে দেও ইটাৰে  কাৰেংঘৰ বান্ধে , গড় বান্ধে , বৰনাও মাৰে ।

**( ঙ ) গড়গাঁৱৰ কথা শুনি তল যাওঁ বুলি কবিয়ে কিয় কৈছে ?**

উত্তৰঃ আহােম ৰজাই গড়গাঁৱত কাৰেং ঘৰ আদি নিৰ্মাণ কৰি এনে সুন্দৰকৈ সজাই – পৰাই তুলিছিল , যে তাৰ কীৰ্তিবাােৰৰ কথা শুনিলে আনন্দ আৰু গৌৰৱত আত্মহাৰা হৈ পৰিবলগীয়া হয় ।

**প্ৰশ্ন ৫। চমু উত্তৰ দিয়া—**

**( ক ) “ দিখৌৰ সোঁতত যাােৱা , ভটীয়নী বল পাােৱা , উভতিব খাােজে মাৰনাও । ” —মাৰ নাও উভতিব খাােজাৰ কাৰণ কি ?**

উত্তৰঃ গড়গাঁৱৰ কীৰ্তি আৰু ৰূপ সৌন্দৰ্য চাবলৈকেই ভটীয়নী সোঁতত বৰ জোৰেৰে ভটিয়াই গৈ থকা মাৰ নাওবাােৰাে উভতি আহিব খাােজে ।

**( খ ) “ নাই দিন , নাই ৰাতি , নাই পানী , নাই মাটি , আদেশ মাথাােন হয় “ সাজ ” — কবিতাফাকিত থকা সাজ’শব্দই কি বুজাইছে ?**

উত্তৰঃ কাৰেংঘৰ , অন্যান্য ঘৰ – দুৱাৰ , ৰাজধানী সুৰক্ষিত কৰিবলৈ বাজধানী চাৰিওফালৰ গড় আদি নিৰ্মাণ কৰা বুজাইছে ।

**( গ ) “ ওলট – পালত দেশ , কথাৰ নহয় শেষ , কটাৰীৰো ডাবে তাৰ কাটে ” — বুলি কি বুজাব খুজিছে ?**

উত্তৰঃ আহােম ৰজাৰ দেশখন ৰজাসকলৰ প্ৰচেষ্টাত আজি এক ৰূপ কালি এক ৰূপ এনে হৈছিল আৰু ইয়াৰ কীৰ্তি – কাহিনী কৈ শেষ কৰিব নাােৱাৰা ধৰণৰ আছিল । কটাৰীৰ ডাৱে কটাটো যেনে সম্ভৱ তেনে ইয়াৰ সকলাে মানুহৰ কাৰণেই সকলাে কাম কৰাটো সম্ভৱ আছিল ।

**( ঘ ) “ অহা – যাােৱা নাই তাত শেষ ;**

**জনে জনে ভিন ভিন বেশ । ” —এই কথাফাকিৰ মাজেৰে কবিয়ে কি বুজাব খুজিছে ?**

উত্তৰঃ গড়গাঁৱৰ কীৰ্তি কাহিনী আৰু মনাােৰম ৰূপে দৃশ্য চাবলৈ নানানধৰণৰ বেশ ভুষাৰে অনবৰত মানুহ তালৈ অহা – যাােৱা কৰি আছিল । মানুহৰ সোঁতৰ অন্ত নপৰিছিল ।

**প্ৰশ্ন ৬। কবিতাটিৰ মূল কথাখিনি গদ্যত প্ৰকাশ কৰা ।**

উত্তৰঃ গড়গাঁৱৰ অতীত কীৰ্তি আৰু গৌৰৱময় ঐতিহ্য আছে । এই কীৰ্তি আৰু ঐতিহ্যই ‘গড়গাঁও’ কবিতাটিত প্ৰকাশ পাইছে ।

গড়গাঁৱৰ কীৰ্তি – কাহিনী আৰু গৌৰৱৰ কথা শুনি দিখৌৰ সোঁতত তীব্ৰ বেগেৰে ভটিয়াই যাৰো মাৰ – নাওবােৰো গড়গাঁওখনে এবাৰ চাবলৈ উভতি আহিব খােজে । ইয়াত শত্ৰু – মিত্ৰৰ , ভেদাভেদৰ কোনাে চিন নাই । বাঘে গৰুৱে শান্তিৰে একে ঘাটে পানী খােৱাৰ দৰে শত্ৰু – মিত্ৰ সকলাে মিলা – প্ৰীতিৰে থাকি কাম কৰি আছে । ইয়াৰ মানুহবােৰ সদায় স্বাধীনচিতীয়া , শিৰ সদায় উচ্চ । তাকে দেখি বিদেশীয়ে আচৰিত হয় । গড়গাঁৱৰ কীৰ্তি – কাহিনী আৰু গৌৰৱৰ কথা কৈ শেষ কৰিব নােৱাৰি । ইয়াত সৌন্দৰ্য আৰু কীৰ্তিবােৰ চাবলৈ অহৰহ মানুহ আহিয়েই আছে , গৈয়েই আছে ।

ইয়াৰ মানুহবােৰ অতি কৰ্মী । কাম নকৰি বহি থাকিবলৈ বৰ লাজ পায় । ৰজাৰ আদেশ তগৰ – চহৰ , গড় আদি নিৰ্মাণ কাৰ্যত মানুহবােৰ দিন – ৰাতি অনবৰত ব্যস্ত হৈ থাকে । লানি নিছিগা বনুৱাই হাঁহকণীৰ আঠাৰে চটা চটা ইটাৰে কাৰেংঘৰ আদি নিৰ্মাণ কৰি আছে । মানুহবােৰৰ গাত অপাৰ শক্তি । বঠা নহ’লেও হাতেৰেই নাও বায় , অস্ত্ৰ । নহ’লেও দাঁতেৰেই অস্ত্ৰৰ কাম কৰে । এই বিলাক কথা শুনি কৰি গৌৰৱত আত্মহাৰা হৈ পৰে ।

**প্ৰশ্ন ৭ তলৰ দফাত থকা খালী ঠাই পূৰ কৰা**

**( ক ) বিদেশীৰ চকুথিৰ ............ওখ শিৰ ,**

**............... মানুহৰ দেশ ;**

**উজুটিত ভাগে ............ , কোঢ়ালত হৰে মাত ,**

**অহা যাৱো নাই.......... শেষ ;**

**জনে জনে ....................বেশ ।**

*উত্তৰঃ বিদেশীৰ চকুথিৰ, স্বদেশীৰ ওখ শিৰ,*

*দেও-লগা মানুহৰ দেশ;*

*উজুটিত ভাগে দাঁত, কোঢ়ালত হৰে মাত,*

*অহা যাৰো নাই তাত শেষ;*

*জনে জনে ভিন ভিন বেশ ।*

**( খ ) সকলোৰে আছে ……….. নোহোৱা নাই নাম ,**

**………….সদা পায় লাজ ;**

**নাই দিন , নাই …….., নাই পানী ……. , মাটি**

**আদেশ ………..হয় “ সাজ ”**

**ইচ্ছা………. , স্বৰ্গ মহাৰাজ ।**

*উত্তৰঃ সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম,*

*কাপুৰুষে সদায় পায় লাজ;*

*নাই দিন, নাই ৰাতি, নাই পানী, নাই মাটি,*

*আদেশ মাথোন হয় “ সাজ ”*

*ইচ্ছা যেনে স্বৰ্গ মহাৰাজ ।*

**প্ৰশ্ন ৮। পাঠৰ পৰা অন্ত্যধ্বনিৰ মিল থকা শব্দবোৰ লিখা ।**

উত্তৰঃ পাঠত থকা অন্ত্যধ্বনিৰ মিল থকা শব্দবোৰ –

| | |
|---|---|
| গড়গাঁও | তল যাওঁ । |
| মাৰ-নাও | গড়গাঁও । |
| হালে হালে | পানী খালে । |
| থিৰ | শিৰ । |
| যোৱা | পোৱা । |

| | |
|---|---|
| দেশ | শেষ , বেশ। |
| ঘাটে | বাটে। |
| কাম | নাম। |
| লাজ | সাজ , মহাৰাজ। |
| ৰাতি | মাটি। |
| হয় | বয়। |
| আলি | ফালি , লালী। |
| সকলোটি | মাটি। |
| বৰনাও | গড়গাঁও , তলয়াওঁ। |
| হাত | দাঁত। |

**প্ৰশ্ন ৯। ‘ক’ অংশত দিয়া শব্দবোৰ ‘খ’ অংশৰ অৰ্থৰ লগত মিলোৱা।**

| ‘ **ক** ’ **অংশ** | ‘ **খ** ’ **অংশ** |
|---|---|
| ১. ভটিয়নি | শক্তি পোৱা। |
| ২. বল | তল ওপৰ হোৱা বা কৰা। |
| ৩. মাৰ-নাও | বহুলোকে একেলগে কৰাহাই-উৰুমি। |
| ৪. ওলট – পালট | নিৰ্মাণ কৰা , প্ৰস্তুত কৰা। |
| ৫. বিদেশী | নৈৰ ভাটি বা নামনিলৈ বৈ থকা। |
| ৬. শিৰ | পৰ দেশৰ , যিটো নিজৰ দেশৰ নহয়। |

| | |
|---|---|
| ৭. কোড়াল | এলেহুৱা , বন বাৰী নকৰি বহি থকা মানুহ। |
| ৮. সাজ। | এখনৰ দাঁতিত আন এখন বান্ধিলোৱা যোৰ নাও। |
| ৯. ধোদ | মূৰ। |

উত্তৰঃ

| ‘ **ক** ’ **অংশ** | ‘ **খ** ’ **অংশ** |
|---|---|
| ১. ভটিয়নি | নৈৰ ভাটি বা নামনিলৈ বৈ থকা। |
| ২. বল | শক্তি পোৱা। |
| ৩. মাৰ-নাও | এখনৰ দাঁতিত আন এখন বান্ধিলোৱা যোৰ নাও। |
| ৪. ওলট – পালট | তল ওপৰ হোৱা বা কৰা। |
| ৫. বিদেশী | পৰ দেশৰ , যিটো নিজৰ দেশৰ নহয়। |
| ৬. শিৰ | মূৰ। |
| ৭. কোড়াল | বহুলোকে একেলগে কৰা হাই -উৰুমি। |
| ৮. সাজ। | নিৰ্মাণ কৰা , প্ৰস্তুত কৰা। |
| ৯. ধোদ | এলেহুৱা , বন বাৰীনকৰি বহি থকা মানুহ। |

## ***খ- ভাষা অধ্যয়ন ( ব্যৱহাৰিক ব্যাকৰণ)***

**প্ৰশ্ন ১০। উদাহৰণটোৰ দৰে বিশেষ্যৰ পৰা বিশেষণ পদলৈ নিয়া—**

| **বিশেষ্য** | **বিশেষণ** | **বিশেষ্য** | **বিশেষণ** |
|---|---|---|---|
| বিদেশ | বিদেশী | কঁপাহ | ............ |
| স্বদেশ | ............ | আকাশ | ............ |
| দেশ | ............ | গা◌েলাপ | ............ |
| পৰদেশ | ............ | বাদাম | ............ |
| দুখ | ............ | দুখ | ............ |

উত্তৰঃ

| **বিশেষ্য** | **বিশেষণ** | **বিশেষ্য** | **বিশেষণ** |
|---|---|---|---|
| বিদেশ | বিদেশী | কঁপাহ | কপাহী |
| স্বদেশ | স্বদেশী | আকাশ | আকাশী |
| দেশ | দেশী | গা◌েলাপ | গোলামী |
| পৰদেশ | পৰদেশী | বাদাম | বাদমী |
| দুখ | সুখী | দুখ | দুখী |

**প্ৰশ্ন ১১। বাক্য ৰচনা কৰা–**

**বাৰ ( সপ্তাহৰ বাৰ )**

**পাৰ ( নদীৰ পাৰ )**

**টকা ( টকা – পইচা )**

**বাৰ ( অ ) ( সংখ্যা )**

**পাৰ ( অ ) চৰাই**

**টকা ( বাঁহৰ এবিধ বাদ্য )**

উত্তৰঃ **বাৰ ( সপ্তাহৰ বাৰ ) :-** সপ্তাহৰ প্ৰতিটো বাৰৰ নাম বেলেগ বেলেগ ।

**বাৰ ( অ ) ( সংখ্যা ) :-** বাৰ মাহে এবছৰ হয় ।

**পাৰ ( নদীৰ পাৰ ) :-** পানীৰ ঢৌত নদীৰ পাৰ খহি যায় ।

**পাৰ ( অ ) চৰাই :-** পাৰ এবিধ পাোহনীয়া চৰাই ।

**টকা ( টকা – পইচা ) :**– টকা – পইচা থাকিলেই মানুহ সুখী হ'ব নাোৱাৰে ।

**টকা ( বাঁহৰ এবিধ বাদ্য ) :-** বিহুত ঢাোল , পেপা , টকা আদি বজায় ।

**প্ৰশ্ন ১২। দলত আলাোচনা কৰি কোৱা–**

**( ক ) জলপৰিবহণৰ ক্ষেত্ৰত নাৱে আমাক কেনেদৰে সহায় কৰে ?**

উত্তৰঃ জলপৰিবহণৰ ক্ষেত্ৰত নাৱে আমাক নদী ইপাৰ – সিপাৰ হাোৱাত সহায় কৰে । এঠাইৰ পৰা আন এঠাইলৈ যাোৱাত সহায় কৰে । বেপাৰ – বাণিজ্যৰ ক্ষেত্ৰতাো মাল – বস্তু অনা – নিয়া , বেচা – কিনাত সহায় কৰে । তাৰাোপৰি বানপানীৰ সময়ত মানুহ , জন্তু , বস্তু আদি উদ্ধাৰ কাৰ্যত বৰ সহায়ক হয় ।

**( খ ) তলত দিয়া ছবিবাোৰ কি কি দেখিছা ?**

উত্তৰঃ ছবিবাোৰ চাই দেখা গ'ল –

১ নং ছবিত নাৱেৰে মানুহ এজনে দুজন মতা মানুহ আৰু দুগৰাকী মহিলাক এঠাইৰ পৰা আন এঠাইলৈ লৈ গৈ আছে ।

২ নম্বৰ ছবিত এখন মটৰ – বােটত কেইজনমান মানুহ উঠি থাকি কিবা বস্তু বােটখনত তুলিবলৈ চেষ্টা কৰি আছে। ওচৰত এজন মানুহে পানীত নামি বাটখনত কিবা বস্তু উঠাবলৈ দি আছে।

৩ নম্বৰ ছবিত এখন ডাঙৰ নাও পাৰ লগাই লৈ চাৰিজন মানুহে ছাগলী উঠোৱা নমােৱা কৰি আছে। দুটা পােৱালিৰে সৈতে এজনী মাইকী ছাগলী নাৱত আছে।

৪.নম্বৰ ছবিখনত চাৰিজন মানুহে মাছ মাৰি থকা যেন লাগিছে।

**প্ৰশ্ন ১৩। তােমালােকৰ ওচৰে – পাজৰে খাল – বিল পুতি পাহাৰ কাটি মানুহে ঘৰ দুৱাৰ সজাৰ ফলত কি কি সুবিধা – অসুবিধা হােৱা দেখিছা , দলত আলােচনা কৰি লিখা।**

উত্তৰঃ খাল – বিল পুতি ঘৰ – দুৱাৰ সজাৰ ফলত বৰষুণৰ সময়ত ওখ ঠাইৰ পৰা পানী বৈ গৈ পৰিবলৈ ঠাই নােহােৱা হৈছে। ফলত কোনাে পানী নুঠা ঠাইত , ঘৰ দুৱাৰ আদি , ৰাস্তা – পদূলি কৃত্ৰিম বানত ডুব যায় , থকা – মেলা , খােৱা – বােৱা আৰু যাতায়াতত হঠাতে মানুহৰ নগুৰ – নাগতি হৈ পৰে। পাহাৰবােৰ কাটাৰ ফলত ভূমিস্খলন হৈ তলত থকা ঘৰ – দুৱাৰ পুতি পেলায় , মানুহৰ মৃত্যু ঘটায়। তাৰােপৰি গৰমৰ প্ৰকোপ বাঢ়ে , বৰষুণৰ পৰিমাণ সেই অঞ্চলত কমি যায়।

## ঘ – প্ৰকল্প।

**প্ৰশ্ন ১৪ আৰু ১৫ নম্বৰত উল্লেখ থকা মতে এলবাম প্ৰস্তুত কৰা আৰু কবিতা সংগ্ৰহ কৰি কবিতাৰ নাম আৰু কবিৰ পৰিচয় লিখিবা।**